# **REGIONAL NEWS UNIT**
# AKASHVANI :: GUWAHATI

0000000000

**Date : 18-03-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

***:::::::::::::::::::::::::::::::***

শিক্ষানুষ্ঠানসমূহে যুৱ শক্তিক উপযুক্তভাৱে গঢ়ি তোলাৰ মহান দায়িত্ব বহন কৰিছে বুলি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। ৫০ বছৰীয়া বৰ্ণিল ইতিহাসেৰে সমৃদ্ধ শিলচৰস্থিত দেশভক্ত তৰুণৰাম ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ডং শৰ্মাই আজি কয় যে ৰাজ্য চৰকাৰে সাম্প্ৰতিক অৰ্থনীতিত দক্ষ যুৱ শক্তিৰ গুৰুত্বৰ কথা অনুধাৱন কৰি আৰম্ভণিৰে পৰা পৰিবৰ্তিত ঔদ্যোগিক পৰিমণ্ডলৰ সৈতে খাপ খোৱাকৈ দক্ষতাশিক্ষা আৰু প্ৰশিক্ষণ ব্যৱস্থা শক্তিশালী কৰি তোলাৰ বাবে পদক্ষেপ লৈছে। চৰকাৰে টাটা টেকন'লজিছ লিমিটেডৰ সহযোগত ৰাজ্যৰ পলিটেকনিক মহাবিদ্যালয় আৰু ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উদ্যোগৰ প্ৰয়োজনীয়তাৰ সৈতে সংগতি ৰাখি উৎকৃষ্টতাৰ কেন্দ্ৰলৈ ৰূপান্তৰিত কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে শিক্ষাৰ্থীসকলক চতুৰ্থ ঔদ্যোগিক বিপ্লৱ সম্পৰ্কীয় নতুন প্ৰযুক্তি শিকাৰ সুযোগ প্ৰদান কৰাই এই প্ৰচেষ্টাৰ মূল উদ্দেশ্য। ডিজিটেল প্ৰযুক্তিৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি এই পদক্ষেপৰ জৰিয়তে কাৰিকৰী প্ৰতিষ্ঠানসমূহক কৃত্ৰিম বুদ্ধিমত্তা, ইণ্টাৰনেট অফ থিংকছ আৰু ইণ্ডাষ্ট্ৰিয়েল ইণ্টাৰনেট অফ থিংকছ, স্মাৰ্ট মেনুফেক্সাৰিং, বৈদ্যুতিক বাহনৰ বেটাৰী আদিৰ পাঠ্যক্ৰম প্ৰনয়নৰ বাবে যোগ্য কৰি তোলাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন, আত্মবিশ্বাস, অনুশাসন আৰু কঠোৰ পৰিশ্ৰমৰ যোগেদি একবিংশ শতিকাৰ প্ৰতিযোগিতাৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ নিজকে প্ৰস্তুত কৰিব লাগিব।

০০০০

কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰালয়ে কাৰ্বি আংলঙৰ লাংৰকুত সৈনিক স্কুলৰ নিৰ্মাণৰ বাবে এশ কোটি টকাৰ অনুমোদন দিছে। শিক্ষামন্ত্ৰী  ডাঃ ৰণোজ পেগুৱে আজি সামাজিক মাধ্যমযোগে এইকথা প্ৰকাশ কৰে। ৩৩৫ কোটি ৮৭ লাখ টকাৰ মুঠ আৱণ্টনৰ পৰা এই ধনখিনি মোকলাই দিয়া হৈছে বুলি তেওঁ প্ৰকাশ কৰে। তেওঁ কয় যে এই পদক্ষেপে শিক্ষাৰ মান উন্নত কৰাত সহায় কৰিব। তেওঁ লগতে এই ধনৰাশি মোকলাই দিয়াৰ বাবে কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙক ধন্যবাদ জ্ঞাপন কৰে।

০০০০

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে নিয়োগ কৰা মাণ্ডলিক বিষয়া আৰু ছেক্টৰ বিষয়াসকলৰ সৈতে আজি গোৱালপাৰা জিলা প্ৰশাসনৰ এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত তথা ৰিটাৰ্নিং বিষয়া খনীন্দ্ৰ চৌধুৰীৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকখনত বিষয়াসকলৰ পৰা ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ বিষয়ে বুজ লোৱা হয়। এই বৈঠকত নিৰ্বাচনৰ বাবে অহা পৰ্যবেক্ষক

ৰঞ্জিত কুমাৰ লস্কৰ আৰু ত্ৰিপুৰেন্দ্ৰ পাটৰ উপস্থিত থাকে। উল্লেখযোগ্য যে এই নিৰ্বাচনৰ মনোনয়ন পত্ৰসমূহ কালি পৰীক্ষা কৰি বৈধ মনোনয়ন পত্ৰৰ তালিকা প্ৰকাশ কৰা হয়। কামৰূপ জিলাৰ ১৬ টা পৰিষদীয় সমষ্টিৰ বাবে মুঠ ৫২ গৰাকী প্ৰাৰ্থীয়ে দাখিল কৰা আটাইকেইখন মনোনয়ন বৈধ হিচাপে বিবেচিত হয়।

প্ৰাৰ্থীসকলে কাইলৈ বিয়লি ৩ বজালৈকে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব। কাইলৈ নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। অহা ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ হ'ব আৰু ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০

হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই আজি বাক্সা জিলাৰ মুছলপুৰৰ সমীপৱৰ্তী এক নম্বৰ কাটলিগাঁৱত এটা আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰ উদ্বোধন কৰে। এই উপলক্ষে মন্ত্ৰীগৰাকীয়ে আজিৰ দিনটোতে বাক্সা জিলাৰ চাপাগুৰি সমষ্টিত ৯ টা অঙ্গনবাড়ী কেন্দ্ৰ উদ্বোধন কৰা হয় বুলি জানিবলৈ দিয়ে। তেওঁ লগতে বিধানসভা সমষ্টিটোত ৪০ টা নতুন অঙ্গনবাড়ী কেন্দ্ৰ নিৰ্মাণৰ প্ৰকল্প হাতত লোৱা বুলি উল্লেখ কৰে।

০০০০

হোজাই জিলা কৃষি বিভাগ আৰু কৃষি প্ৰযুক্তি ব্যৱস্থাপনা অভিকৰণৰ উদ্যোগত জিলাখনত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৃষক মেলাৰ আজি সামৰণি পৰে। এই কৃষি মেলাত কৃষকসকলৰ উৎপাদিত উন্নত মানৰ সামগ্ৰীৰ লগতে কৃষি যান্ত্ৰিকীকৰণৰ বিভিন্ন সা-সঁজুলিৰ প্ৰদৰ্শন আৰু বিক্ৰীৰ ব্যৱস্থা কৰা হয়। আজি কৃষকসকলৰ বাবে কৃষি যান্ত্ৰিকীকৰণ বিষয়ত এটা প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰা হয়। দুশৰো অধিক কৃষকে অংশগ্ৰহণ কৰা এই মেলাত কৃষি বিজ্ঞানী নিৰঞ্জন ডেকা আৰু উপ-আয়ুক্ত ৰেখাশ্ৰী লেখাৰুৰ উপৰি ভালেমান কৃষক উৎপাদন সংস্থা তথা কৃষি গোটে অংশগ্ৰহণ কৰে।

০০০০

কামৰূপ জিলাৰ আমিনগাওঁৰ জয়গুৰু পাহাৰত আজি সন্ধিয়া বনজুইৰ সূত্ৰপাত হয়। বনজুইৰ ফলত পাহাৰৰ দাঁতিত বাথৌগুৰিত দুটাকৈ বাসগৃহ আৰু এটি পুৰণি প্লাষ্টিক ডেম্পো ভষ্মিভূত হয়। অগ্নিনিৰ্বাপক বাহিনী আৰু আৰক্ষীয়ে জুই নুমুওৱাৰ বাবে চেষ্টা চলাই আছে যদিও বৰ্তমানেও জুই নিয়ন্ত্ৰণ কৰিব পৰা নাই।

ইপিনে, বিশ্বনাথ উন্নয়ন খণ্ডৰ পিছফালে থকা এখন বননিৰ প্ৰায় ৫০-৬০ বিঘা ভূমিত আজি দিনৰ ভাগত বনজুই লাগে। অৱশ্যে এই অগ্নিকাণ্ডৰ কাৰণ সন্দৰ্ভত জানিব পৰা হোৱা নাই। বতাহৰ বাবে জুই বিয়পি পৰাত অঞ্চলবাসী উদ্বিগ্ন হৈ পৰিছে আৰু শীঘ্ৰেই ব্যৱস্থা গ্ৰহণৰ বাবে আহ্বান জনাইছে।

০০০০

যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয় উদ্ভিদ বিদ্যা বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক যোৰহাট পৌৰসভাৰ নেহৰুপাৰ্ক ১২ নম্বৰ ৱাৰ্ডৰ স্থায়ী বাসিন্দা লক্ষী প্ৰসাদ চেতিয়াৰ আজি বাৰ্ধক্যজনিত কাৰণত নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯২ বছৰ।

০০০০

ঃঃ সমাপ্ত ঃঃ